Language and Literacy

ভাষা আৰু সাক্ষৰতা

TESS India

# Early Reading

## প্ৰাক্ পঠন





Teacher Education through School-based Support in India

www.TESS-India.edu.in

অনুবাদ আৰু অভিযোজন ঃ ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

cc BY SA

http://creativecommons.org/licenses/

The Open University

UKaid from the British people

*TESS-India (Teacher Education through School-based Support) aims to improve the classroom practices of elementary and secondary teachers in India through the provision of Open Educational Resources (OERs) to support teachers in developing student-centred, participatory approaches. The TESS-India OERs provide teachers with a companion to the school textbook. They offer activities for teachers to try out in their classrooms with their students, together with case studies showing how other teachers have taught the topic and linked resources to support teachers in developing their lesson plans and subject knowledge.*

*TESS-India OERs have been collaboratively written by Indian and international authors to address Indian curriculum and contexts and are available for online and print use (http://www.tess-india.edu.in/). The OERs are available in several versions, appropriate for each participating Indian state and users are invited to adapt and localise the OERs further to meet local needs and contexts.*

*TESS-India is led by The Open University UK and funded by the UK government.*

***Video resources***

*Some of the activities in this unit are accompanied by the following icon: . This indicates that you will find it helpful to view the TESS-India video resources for the specified pedagogic theme.*

*The TESS-India video resources illustrate key pedagogic techniques in a range of classroom contexts in India. We hope they will inspire you to experiment with similar practices. They are intended to complement and enhance your experience of working through the text-based units, but are not integral to them should you be unable to access them.*

*TESS-India video resources may be viewed online or downloaded from the TESS-India website, http://www.tess-india.edu.in/). Alternatively, you may have access to these videos on a CD or memory card.*

*Version 2.0 LL04v1*
*Assam*

*Except for third party materials and otherwise stated, this content is made available under a Creative Commons Attribution-ShareAlike licence: http://creativecommons.org/licenses/by-sa/3.0/*

*TESS-India is led by The Open University UK and funded by UK aid from the UK government*

## এই গোটটো কিহৰ বিষয়ে (What this unit is about)

আপোনাৰ শ্ৰেণীকোঠাত ছাত্ৰ-ছাত্ৰীসকলক প্ৰাক্ পঠন কেনেকৈ শিকাব, সহায় কৰিব, পৰিকল্পনা আৰু মূল্যায়ন কৰিব এই বিষয়ে এই গোটটোৰ পৰা শিকিব। সম্ভৱতঃ এই পঠনেই হৈছে আটাইতকৈ গুৰুত্বপূৰ্ণ আৰু সবল কৌশল যাক আপোনাৰ ছাত্ৰ-ছাত্ৰীসকলে আহৰণ কৰিব। প্ৰাক্ পঠন স্তৰত ছাত্ৰ-ছাত্ৰীসকলক সহায় কৰা আৰু তেওঁলোকক উৎসাহিত কৰাত আপুনি পালন কৰা ভূমিকাই হ'ব তেওঁলোকৰ ভৱিষ্যত শিক্ষা আৰু কৃতকাৰ্য জীৱনৰ চাবি কাঠি।

পঢ়িবলৈ শিকা কাৰ্যটো স্বাভাৱিকভাৱে লাভ কৰা এটা উন্নয়ন প্ৰক্ৰিয়া নহয়। বৰং, ই নিৰ্দিষ্ট সময়ত কৰা নিয়মীয়া অনুশীলনৰ সৈতেহে জড়িত। এই অনুশীলন অনানুষ্ঠানিক (ঘৰ বা সমাজত) আৰু আনুষ্ঠানিক (বিদ্যালয়ত) দুয়োটাই হ'ব পাৰে। পঠন বহু প্ৰকাৰে কৰিব পাৰি আৰু এনে কিছুমান উপায় আপুনি নিজাববীয়াকৈ ইতিমধ্যে হাতত লৈছে।

আপুনি এজন শিক্ষক হোৱা কথাটোৱে এইটোকে সূচায় যে, আপুনি জ্ঞান আহৰণৰ আনন্দ লাভৰ বাবে বিভিন্ন ধৰণৰ পাঠ পঢ়িব পাৰে আৰু আপুনি এজন দক্ষ আত্মবিশ্বাসী শিক্ষক। তাৰোপৰি, ছপা কৰা পাঠ পঢ়াৰ উপৰিও, আপুনি কম্পিউটাৰ বা মোবাইল ফোনতো পঢ়িব পাৰে। আপুনি এই জটিল দক্ষতা কেনেকৈ আহৰণ কৰিছিল? এজন পাঠক (reader) হ'বলৈ কৰা এই গোটেই পথ পৰিব্ৰমা আৰু ছাত্ৰ-ছাত্ৰীক আগবঢ়াই নিয়াত আপুনি দিয়া সমৰ্থনৰ সকলোবোৰ কথাৰ বিষয়ে আপুনি অন্তদৰ্শন কৰাৰ সুবিধা পাব।

## এই গোটটোৰ পৰা কি শিকিব পাৰিব (What you can learn in this unit)

- প্ৰাক্ পঠন পাঠসমূহ আকৰ্ষণীয় আৰু আনন্দদায়ক কৰিবৰ বাবে আপুনি কেনেকৈ পৰিকল্পনা কৰিব?
- পঠন শিকন বা পঢ়িবলৈ শিকাৰ বয়সত শিশুসকলে প্ৰদৰ্শন কৰিব পৰা আচৰণসমূহ আপুনি কেনেকৈ চিনাক্ত কৰিব?
- প্ৰাক্ পঠন বিকাশক আগবঢ়াই নিয়াত মূল্যায়নৰ উপায়সমূহ আৰু সমৰ্থন।

## এই পদ্ধতিটো কিয় গুৰুত্বপূৰ্ণ (Why this approach is important)

শিশুসকলক বৰ্ণ আৰু শব্দ চিনাক্ত কৰিবলৈ শিকোৱাতকৈ প্ৰাক্ পঠন বেছিহে গুৰুত্বপূৰ্ণ। এটা পাঠৰ অৰ্থ উলিয়াবলৈ বা বুজিবলৈ আপোনাৰ ছাত্ৰ-ছাত্ৰীক সহায় কৰিবৰ বাবেই প্ৰাক্ পঠন। ইয়ে তেওঁলোকক পৃথিৱীখনক বুজি পোৱা আৰু ভাষা জ্ঞানৰ বিকাশৰ গতি নিৰ্ণয় কৰাত সহায়ক হয়। যিজন শিশুৱে পঠনত আনন্দ পায় আৰু সলসলীয়াকৈ দক্ষতাৰে পঢ়িব পাৰে, সেই শিশুৱে বিদ্যালয়ৰ সকলো বিষয়তে ভাল ফলাফল দেখুৱাব পাৰে।

আপোনাৰ ছাত্ৰ-ছাত্ৰীসকলে পঠনৰ প্ৰতি আকৰ্ষিত হৈ পঠনত আগবাঢ়ি যোৱাটো নিশ্চিত কৰিবৰ বাবে, আপুনি তলত উল্লেখ কৰা গুৰুত্বপূৰ্ণ কামকেইটা কৰিব পাৰে -

- তেওঁলোকক প্ৰণোদিত আৰু উৎসাহিত কৰিব পাৰে
- তেওঁলোকক নিৰীক্ষণ কৰিব পাৰে আৰু মূল্যায়ন বা মান নিৰূপণৰ কাম কৰিব পাৰে
- তেওঁলোকক নিৰীক্ষণ কৰি পোৱা সম্ভেদ বা ফলাফলক ব্যৱহাৰ কৰি শিকনৰ বাবে আপুনি পৰিকল্পনা কৰিব পাৰে আৰু ছাত্ৰ-ছাত্ৰীসকলক এই আৱশ্যকীয় দক্ষতা বিকাশৰ দিশত আগবঢ়াই নিব পাৰে।

## ১) পঠনৰ আৰম্ভণি - 'কোন?', 'কি?', 'ক'ত?', 'কিয়?' (1 Beginning to read – 'Who?', 'What?', 'Where?', 'Why?')

প্ৰাক্ পঠনৰ অভিজ্ঞতাৰ বিষয়ে আপোনাৰ কি মনত আছে? তলত দিয়া ঘটনা অধ্যয়নৰ লগত নিজৰ অভিজ্ঞতা কেনেকৈ তুলনা কৰিব?

### ঘটনা অধ্যয়ন ১ঃ পঠনৰ আৰম্ভণিৰ স্মৃতি (Case Study 1: Memories of learning to read)

তলত দিয়া কথাংশত সাতজন শিক্ষকে তেওঁলোকৰ প্ৰাক্ পঠনৰ অভিজ্ঞতাৰ স্মৃতি সুঁৱৰিছে। তেওঁলোকৰ স্মৃতি ৰোমন্থনৰ বিষয়ে আপুনি পঢ়োঁতে তেওঁলোকক পঠনত 'কোনে' সহায় কৰিছিল, তেওঁলোকে 'ক'ত' পঢ়িছিল আৰু 'কিয়' পঢ়িছিল লিখি যাব।

(ক) মোক আৰু মোৰ ভনীহঁতৰ মনত আনন্দ দিবৰ বাবে আমাৰ মায়ে আমাক বহুত পৌৰাণিক কাহিনী/সাধুকথা কৈছিল। কেতিয়াবা মায়ে সেইবোৰ লিখি উলিয়াইছিল আৰু সেইবোৰ আঁকি দেখুৱাইছিল। পুনৰ ব্যৱহাৰৰ উপযোগী কাগজত আমাৰ নিজৰ ছবিৰ কিতাপ নিজেই

তৈয়াৰ কৰি ল'বৰ বাবে তেওঁ আমাক উৎসাহিত কৰিছিল। লগতে বিভিন্ন আলোচনীৰ পৰা ছবি সংগ্ৰহ কৰিবলৈকো উৎসাহ দিছিল। আমি একেলগে কৰা তেনে কেইখনমান কিতাপ মোৰ সংগ্ৰহ কৰি থোৱা আছিল।

(খ) মোৰ ককা এজন দৃঢ় নিয়মানুৱৰ্তী লোক আছিল। প্ৰত্যেকদিনা অভিধানৰ পৰা পাঁচটা শব্দ মোক মুখস্থ কৰাইছিল। আমাৰ ঘৰত অভিধানখনেই একমাত্ৰ কিতাপ আছিল। তেওঁ কেতিয়াবা মোক পইচা নিদিলে মই তেওঁক কৈছিলোঁ- "তুমি এজন কৃপন লোক।" তেওঁ আমনি বা বেয়া পাইছিল কিন্তু তেওঁ হাঁহিছিলোঁ। মোৰ শব্দৰ ভঁড়াল যথেষ্ট চহকী আছিল। কিন্তু মই কোনো সাধু/গল্প কিতাপ পঢ়া নাছিলোঁ।

(গ) মই যেতিয়া সৰু আছিলোঁ, প্ৰতিটো সন্ধিয়া মোৰ দেউতাই বেদৰ পৰা এটা দফা আমাক পঢ়ি শুনাইছিল। তাৰপাছত আমাক ইয়াৰ ব্যাখ্যা কৰিবলৈ দিছিল। এই দফাবোৰ বুজিবলৈ খুউব জটিল আছিল। এদিন মোৰ ডাঙৰ বাইদেৱে মনে মনে বেদখন লৈ আনিলে আৰু পাছৰ দফাটো মোক পঢ়ি শুনালে। মই বুজি পাব পৰাকৈ তেওঁ ইয়াৰ অৰ্থও স্পষ্টকৈ মোক ভাঙনি কৰি শুনালে। সেইদিনা সন্ধিয়া দেউতাই মোক খুউব ভাল পালে।

(ঘ) মোৰ আইতাই সৰু মাৰিৰে মাটিতেই কিছুমান শব্দ লিখিছিল আৰু তাৰ অৰ্থবোৰ মোক কৈছিল। মই পঢ়া এই শব্দবোৰেই আছিল প্ৰথম শব্দ। তাৰপাছত মোৰ বাইদেৱে তেওঁৰ বিদ্যালয়ৰ কিতাপৰ পাঠৰ পৰা মোক পঢ়িবলৈ শিকাইছিল। মই বয়সতকৈ বেছি ওখ আছিলোঁ বাবে দেখাত ডাঙৰ যেন লাগিছিল আৰু সেইবাবেই বাইদেৱে এইবোৰ কৰিছিল। মই বিদ্যালয়লৈ গৈ পঢ়িব নোৱাৰিলে মোক সকলোৱে ঠাট্টা মস্কৰা কৰিব বুলিও তেওঁ চিন্তিত আছিল।

(ঙ) মোৰ ঘৰ আৰু গাঁৱৰ পঠনৰ কোনো সামগ্ৰী নাছিল। মই বিদ্যালয়লৈ যাওঁতেহে প্ৰথম ছপা আখৰ দেখা পাইছিলোঁ। মোৰ শিক্ষয়িত্ৰীগৰাকী আছিল মোৰ প্ৰেৰণা। আমাক মজিয়াতে বহুৱাই লৈ তেওঁ বহুত আমোদজনক কাহিনী কৈ শুনাইছিল। আজিও মোৰ সেই কাহিনী, সাধুবোৰ মনত আছে। প্ৰত্যেকেই যাতে শব্দবোৰ দেখা পায় তাৰবাবে তেওঁ 'চাৰ্ট পেপাৰ'ত ডাঙৰ ডাঙৰকৈ বৰ্ণৰে সাধু/কাহিনীবোৰ লিখিছিল। মই ইতিমধ্যেই সাধুবোৰ মনত ৰাখিছিলোঁ আৰু ভাবিছিলোঁ যে এইবোৰ মই সহজতে পঢ়িব পাৰিম।

(চ) মোৰ স্কুলৰ শিক্ষকে আমাক কবিতা মুখস্থ কৰিবলৈ শিকাইছিল। ত্ৰ মান্বয়ে এইবোৰ দীঘলৰ পৰা দীঘল হৈ গৈ আছিল। এটা দীঘল কবিতা মুখস্থ কৰাটো আমোদজনক আছিল। কবিতাবোৰ মা-দেউতাৰ আগত আবৃত্তি কৰি মই তেওঁলোকক মোহিত কৰিছিলোঁ। কেতিয়াবা ঘৰলৈ অহা আলহীৰ আগত তেওঁলোকে মোক কবিতা আবৃত্তি কৰিবলৈ দিছিল। ৰবীন্দ্ৰ নাথ ঠাকুৰে লিখা স্বাধীনতাৰ কবিতা আজিও মই আবৃত্তি কৰিব পাৰোঁ। এইটোৰ আৰম্ভণিটো মোৰ ভাল লাগে। 'Where the mind is without fear/And the head is held high/Where knowledge is free…'. মই বহুত ডাঙৰলৈকে কিতাপৰ কবিতা পঢ়া নাছিলোঁ।

(ছ) প্ৰাপ্তবয়স্ক হোৱালৈকে মই পঠনত আমোদ পোৱা নাছিলোঁ। মোৰ স্কুলৰ শিক্ষকে আমাৰ শ্ৰেণীবোৰত কেৱল পাঠ্যপুথিখনেই ব্যৱহাৰ কৰিছিল। আমি কিতাপখন পঢ়িছিলোঁ আৰু তলৰ অনুশীলনীবোৰ কৰিছিলোঁ। পাঠৰ বিষয়বস্তু আছিল নীৰস আৰু মোৰ এইবোৰ ভাল লগা নাছিল। তাতকৈ মই ঘৰত শুনা সাধু/কাহিনীবোৰ বহুত ভাল লগা আছিল। খুড়াহঁতে কোৱা ৰামায়নৰ কাহিনী শুনিবৰ বাবে মই ৰাতিলৈকে থাকি ভাল পাইছিলোঁ। মই যেতিয়া ডাঙৰ হ'লো, মই চিনেমা চাই ভাল পাইছিলোঁ। সকলো চিনেমাই কাহিনী/সাধু সঁচাকৈয়ে!

## **চিন্তন** (Pause for thought)

এই কথাংশবোৰৰ বিষয়ে আপুনি লিখা টোকাবোৰে কি প্ৰকাশ কৰিলে?

- **কোন?** এই ব্যক্তি সকলক পঢ়িবলৈ শিকোঁতে সহায় কৰা মূল হিচাপে বেলেগ বেলেগ মানুহৰ কথা উল্লেখ কৰা হৈছে। এইটোৱে আপোনাক আচৰিত কৰিছেনে? এজনে যদি এজন প্ৰেৰণা দাতা শিক্ষকৰ কথা কৈছে, আন এজনে পৰিয়ালৰ এজন সদস্যৰ কথা কৈছে। স্কুলৰ বাহিৰত আপোনাৰ ছাত্ৰ-ছাত্ৰীয়ে অতিৰিক্ত সহায় যাৰদ্বাৰাই নলওঁক, কিন্তু তেওঁলোকৰ প্ৰাক্ পঠনৰ কৃতকাৰ্যতাত আপোনাৰ অৱদান বিশেষ তাৎপৰ্যপূৰ্ণ।
- **কি?** বিভিন্ন প্ৰকাৰৰ উৎস সামগ্ৰীৰে পঠন শিকনৰ আৰম্ভণি হোৱা উচিত আৰু বিভিন্ন ধৰণৰ ত্ৰি য়া-কলাপৰ জৰিয়তে শিকোৱাটো উচিত। সাধু/কাহিনী শুনা, কবিতা আবৃত্তি, কিতাপ প্ৰস্তুত কৰা আৰু শব্দ মনত ৰখা আদি হৈছে মাত্ৰ তাৰে কেইটামান পথ যিবোৰ উক্ত কথাংশবোৰত পোৱা হৈছে।
- **ক'ত?** বিভিন্ন প্ৰকাৰৰ স্থানত (Settings) পঠন শিকণ হ'ব পাৰে। শিশুসকলক এডোখৰ ঠাইত পঢ়িবলৈ আৰম্ভ কৰাই অন্য এডোখৰ ঠাইটো নিয়মীয়াকৈ শিকাব পাৰি।
- **কিয়?** যিজনে সাধু কথা/কাহিনী কয় আৰু পঠনক আমোদজনক কৰি তুলিব পাৰে তেওঁলোকক শিশুৱে সহজতে


অনুকৰণ কৰে।

ওপৰৰ কথাখিনিৰ পৰা বুজিব পাৰি যে, পঠন হৈছে এটা পাৰস্পৰিক প্ৰক্ৰি য়া য'ত বিভিন্নধৰণৰ মানুহ, সা-সামগ্ৰী আৰু অভিজ্ঞতা জড়িত হৈ থাকে। আপোনাৰ শ্ৰেণীকোঠাত এনেকুৱাধৰণৰ অনুশীলন আৰু চকুত লগা সমল ব্যৱহাৰ কৰা হয়নে? কিয় কৰা হয় বা কিয় কৰা নহয়?

## ক্ৰি য়া-কলাপ ১ ঃ পঠন শিকনত আপোনাৰ স্মৃতি (Activity 1: Your memories of learning to read)

আপুনি পঢ়িবলৈ শিকাৰ কথা চাওঁতে এতিয়া নিশ্চয় আপোনাৰ মনলৈ আহিছে। ১ নং চানেকীত থকা তালিকাৰ কেন্দ্ৰত আপোনাৰ নামটো লিখক আৰু তলত থকা প্ৰ.নৰ উত্তৰবোৰ বাকী থকা চাৰিটা অংশত লিখি পেলাওক।

- আপোনাক প্ৰথমতে পঢ়িবলৈ কোনে শিকাইছিল?
- আপুনি প্ৰথমতে কি পঢ়িছিল?
- আপুনি ক'ত পঢ়িছিল?
- এইটো কিয় ঘটিবলৈ পালে?




চিত্ৰ ১ ঃ পঠন শিকনত আপোনাৰ স্মৃতি

আপোনাৰ এই পুনঃস্মৰণ কাৰ্য এজন সহকৰ্মীৰ লগত বিনিময় কৰক। পঠন শিকনত আপোনাৰ অভিজ্ঞতাৰ লগত কি মিল বা পাৰ্থক্য আছে?

আপোনাৰ শ্ৰেণীকোঠাৰ শিকনত আপুনি নিজৰ প্ৰাক্ পঠন অভিজ্ঞতাৰ সহায় লয় নে? (কিয় লয় বা কিয় নলয়?)

## চিন্তন (Pause for thought)

এতিয়া আপুনি আপোনাৰ শ্ৰেণীকোঠাৰ ছাত্ৰ-ছাত্ৰীসকলৰ দৃষ্টি ভংগীৰে তালিকাখন মন কৰক। তালিকাখনৰ মাজত থকা আপোনাৰ নামৰ ঠাইত আপুনি শিকাই থকা আপোনাৰ ছাত্ৰ-ছাত্ৰীৰ নাম ভাবি চাওক।

- আপোনাৰ ছাত্ৰ-ছাত্ৰীসকলক পঠনৰ আৰম্ভণি কৰাত বিদ্যালয়ৰ বাহিৰৰ মানুহে ভূমিকা পালন কৰিলেও, শিক্ষক হিচাপে এই তালিকাখনত আপুনি হ'ব 'কোন'। আপোনাৰ ছাত্ৰ-ছাত্ৰীৰ বাবে আপুনি নিজে এজন পঠন আদৰ্শ হওক। আপুনি যে কিতাপ আৰু পঠনত খুউব আমোদ পায় সেইটো তেওঁলোকক দেখুৱাওক।
- আপোনাৰ ছাত্ৰ-ছাত্ৰীসকলে শ্ৰেণীকোঠাত 'কি' পঢ়িছে সেইটো আপোনাৰ দায়িত্ব। পাঠক হ'বৰ বাবে তেওঁলোকক উৎসাহ যোগাবলৈ আপুনি তেওঁলোকৰ সমল আৰু কামৰ খবৰ বা বিচাৰ ৰাখক আৰু ইয়াৰ লগে লগে শ্ৰেণীকোঠাৰ বাহিৰতো আপোনাৰ ছাত্ৰ-ছাত্ৰীসকলে কি পঢ়িছে তাক জানিবৰ বাবে আগ্ৰহী হওক।
- এই তালিকাখনত 'ক'ত' শব্দটোৱে তেওঁলোকৰ বিদ্যালয়ক বুজাইছে। কিন্তু আপোনাৰ ছাত্ৰ-ছাত্ৰীৰ ঘৰ, মন্দিৰ বা মছজিদো তেওঁলোকৰ প্ৰাক্ পঠনৰ অভিজ্ঞতাৰ বাবে গুৰুত্বপূৰ্ণ স্থান হ'ব পাৰে।
- পঠনৰ 'কিয়' টো প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ বাবে অনুপম হ'ব পাৰে। তেওঁলোকৰ মাজৰ কিছুমানে উৎসুকতাৰ বাবে পঢ়িব যেতিয়া আনসকলে হয়তো ইয়াক দায়িত্ব বুলি ভাবিহে পঢ়িব।

## ঘটনা অধ্যয়ন ২ঃ Boxes on the Bus (Case Study 2: Boxes on the Bus)

নলবাৰীৰ প্ৰথম শ্ৰেণীত পঢ়োৱা শিক্ষয়িত্ৰী লতা কুৰ্মীয়ে বৰ্ণনা কৰিছে যে, কেনেকৈনো তেওঁ শ্ৰেণীত কণ কণ ছাত্ৰ-ছাত্ৰীসকলক ব্যস্ত ৰাখিবৰ বাবে *'Boxes on the Bus'* নামৰ সাধাৰণ গল্প বা সাধুটো কৈছিল। (১ নং সমল চাওক)।

**কাহিনী বা সাধুটো তেনেই সাধাৰণ ঃ** বাছত যোৱা বিভিন্নধৰণৰ মানুহক লৈয়েই এই কাহিনীটো য'ত প্ৰত্যেকেই একোটা বাকচ লৈ উঠে। প্ৰতিটো বাকচতেই বেলেগ বেলেগ বস্তু আছে। লাহে লাহে বাছখন এনেদৰে পৰিপূৰ্ণ হৈ পৰে যে, মানুহৰ বাবে বাছত আৰু ঠাই নোহোৱা হ'ল। কাহিনীটো কোৱাৰ আগতে বাকচবোৰত থাকিব পৰা কিছুমান বস্তুৰ কথা মই ভাবিলোঁ।

মই এটা ডাঙৰ কাৰ্ডব'ৰ্ডৰ বাকচ ঘৰৰ পৰা নিলো আৰু ছাত্ৰ-ছাত্ৰীসকলক দেখুৱালোঁ। তেওঁলোক এই বাকচটো লৈ যথেষ্ট উত্তেজিত বা উৎসুক হৈ পৰিছিল। তাৰপাছত মই কাহিনীটো ক'বলৈ আৰম্ভ কৰিছিলোঁ। যেতিয়াই মই '… and in the box was …', আৰু 'বাকচৰ ভিতৰত আছিল' কথাষাৰ কৈছিলোঁ তেতিয়া মই তেওঁলোকক মোৰ লগত সহযোগ কৰিবলৈ আহ্বান জনাইছিলোঁ। বাকচবোৰত থাকিব পৰা বস্তুবোৰৰ ভিতৰত এটা বুটাম আৰু এটা ছাগলীও আছিল।

প্ৰতিটো বস্তুৰ ক্ষেত্ৰতে মই এজন ছাত্ৰক শ্ৰেণীৰ সন্মুখলৈ মাতি বস্তুটোৰ বিষয়ে বৰ্ণনা কৰি কাৰ্যৰ (অভিনয়ৰ) জৰিয়তে দেখুৱাবলৈ কৈছিলোঁ। লাবণ্যই হাতৰ বুঢ়া আঙুলিটো আৰু তৰ্জনী আঙুলিৰে ঘূৰণীয়া বুটাম দেখুৱালে আৰু পদ্মজাই চাৰিটা আঙুলিৰে বাহুৰ ওপৰত খোজকাঢ়ি যোৱা দেখুৱাই ছাগলী বুজালে।

মই এবাৰ কাহিনীটো কোৱাৰ পাছত পুনৰ ক'লো আৰু প্ৰতিটো ভাগৰ মাজত অলপ ৰৈ দিলোঁ যাতে মোৰ ছাত্ৰ-ছাত্ৰীসকলে মোৰ পাছত এই কাহিনীৰ ভাগটো পুনৰাবৃত্তি কৰিব পাৰে। তাৰপাছত মই কাহিনীটো আকৌ ক'লো, আৰু ছাত্ৰ-ছাত্ৰীসকলৰ লগত ইয়াৰ ভংগিমাৰে আবৃত্তি কৰিলোঁ। দুদিনৰ পাছত মই ছাত্ৰ-ছাত্ৰীসকলৰ মাজত জোৰা পাতি দিলোঁ আৰু যিমানদূৰ সম্ভৱ হয় অধিক দৃঢ় আত্মবি 4াসী ছাত্ৰ-ছাত্ৰীৰ লগত কম আত্মবি 4াসী ছাত্ৰ-ছাত্ৰীক মিলাই দিলোঁ। তাৰপাছত *'Boxes on the Bus'* কাহিনী বা গল্পটো প্ৰত্যেককে ইজনে-সিজনক মনত পেলাই ক'বলৈ দিলোঁ।

দুজনে প্ৰথমৰ কথাখিনি পাহৰিছিল। মই বেলেগ দুগৰাকী ছাত্ৰ-ছাত্ৰীৰ দল এটাক তেওঁলোকৰ লগত দিলোঁ যাতে তেওঁলোকক সহায় কৰিব পাৰে আৰু তেওঁলোকে কি শিকিছিল ব্যাখ্যা কৰিব পাৰে। লগতে মই আৰু এটা কাম কৰিছিলোঁ, সেইদিনা অনুপস্থিত থকা জনক মিলাই তিনিজনীয়া দল গঠন কৰি দিছিলোঁ। তাৰপাছত কাহিনীৰ লগত মিল থকা চিত্ৰ কিছুমান আলোচনী বিলাকৰ পৰা কাটি উলিওৱাত মোক সহায় কৰিবলৈ মই শ্ৰেণীৰ সকলো ছাত্ৰ-ছাত্ৰীক আহ্বান জনালোঁ। তাৰপৰা কাৰ্ডব'ৰ্ড বাকচৰ ওপৰত সেইবোৰ আঠা লগালোঁ যাতে সেইবোৰ মই ক'ব পাৰোঁ আৰু কাষে কাষে শব্দবোৰ লিখি লেবেল লগাব পাৰোঁ।

সেই সপ্তাহতে, মই নাও যাত্ৰাৰ বিষয়ে এখন ছবি কিতাপ পালোঁ। এই কিতাপখনে মোক পুনৰ এটা বেলেগ কাহিনী বা গল্পৰ প্ৰতি উদ্বুদ্ধ কৰিলে। লগে লগে মই ইয়াৰ এটা নাম ঠিক কৰিলোঁ *'Boxes on the Boat'* । এইবাৰ মই কোৱাতকৈ এই বাকচবোৰত কি থাকিব পাৰে বুলি ছাত্ৰ-ছাত্ৰীক সুধিলোঁ।

## চিন্তন (Pause for thought)

তলৰ প্ৰশ্নবোৰ মন কৰক আৰু সম্ভৱ হ'লে সহকৰ্মীৰ লগত সেইবোৰ আলোচনা কৰক ঃ

- কিহৰ বাবে এই *'Boxes on the Bus'* পাঠটো পঠন কাৰ্য হিচাপে ব্যৱহাৰ কৰিব পাৰি?
- ভাষাৰ বিষয়ে লতাৰ ছাত্ৰ-ছাত্ৰীসকলে কি শিকিলে?
- বৰ্ণ আৰু ধ্বনিৰ বিষয়ে তেওঁলোকে কি শিকিলে?

আমাৰ সৈতে আপোনাৰ ধাৰণাৰ তুলনা কৰি চাওকচোন —

প্ৰাক্ পঠন কাৰ্যত ছাত্ৰ-ছাত্ৰীয়ে সক্ৰিয় অংশগ্ৰহণ কৰাটো প্ৰয়োজন। কণ কণ ছাত্ৰ-ছাত্ৰীসকলে লতা কুমাৰীৰ শ্ৰেণীৰ *'Boxes on the Bus'* কাহিনীটোত নিজকে সক্ৰিয়ভাৱে জড়িত কৰিছিল। কাৰণ -

- তেওঁলোকে একেলগে কাহিনীটো শুনিছিল
- '… and in the box was …' (আৰু বাকচৰ ভিতৰত আছিল....) বুলি কোৱা মূল কথাষাৰৰ লগে লগে তেওঁলোকে ইয়াক নিজৰ কণ্ঠ ব্যৱহাৰ কৰি পুনৰাবৃত্তি কৰিছিল আৰু ভংগিমাৰে সহপাঠীৰ লগত শাৰীৰিকভাৱেও জড়িত হৈছিল।
- বাকচটো ছবি আৰু লেবেলেৰে সজাই তেওঁলোকে বুজি পোৱা বা চিনাকি কাহিনীটোৰ বৰ্ণ, শব্দ আৰু খণ্ড বাক্যৰে ধ্বনিৰ সম্বন্ধ জোৰা লগাবলৈকো সক্ষম হৈছিল।

বহুবাৰ এই উপভোগ্য কাহিনী বা গল্পটো শুনি শুনি ছাত্ৰ-ছাত্ৰীসকলে যথেষ্ট সন্তুষ্টি লাভ কৰিছিল। চৰিত্ৰৰ বিষয়ে জনা, ইয়াৰ পাছত কি হ'ব অনুমান কৰা, নিজেই কাহিনীটো ক'ব পৰা হোৱাৰ ক্ষেত্ৰতো ই তেওঁলোকক সক্ষম কৰি তুলিছিল।

## ক্ৰিয়া-কলাপ ২ঃ স্থানীয় সমলৰ দ্বাৰা এটা কাহিনীৰ প্ৰস্তুতি (Activity 2: Locating resources to enhance a simple story)

এই কাৰ্য সম্পাদনৰ বাবে *'Boxes on the Bus'* নামৰ কাহিনীটোক ভিত্তি কৰি (ঘটনা অধ্যয়ন ২) আপুনি কিছুমান প্ৰাক্ পঠন কাৰ্যৰ পৰিকল্পনা কৰিব পাৰে, নতুবা আপোনাৰ পছন্দমতে এটা বিকল্প কাহিনী সজাব পাৰে। আপোনাৰ শ্ৰেণীকোঠা, স্কুল, ঘৰ বা সমাজৰ চাৰিওদিশ চাইহে (অৰ্থাৎ খাপ খোৱাকৈ) কাহিনী আৰম্ভ কৰক। কাহিনীটোক এটা মাত্ৰা প্ৰদানৰ বাবে কি কি উৎস সামগ্ৰী যথেষ্ট পৰিমানে আছে যাক আপুনি ব্যৱহাৰ কৰিম বুলি ভাবিছে। তলৰ কথাকেইটা মন কৰিব পাৰে ঃ

- মনোগ্ৰাহী বিষয়বস্তু
- ছবি
- সহযোগ কৰিব পৰা মানুহ
- বস্তু সাজিবৰ বাবে সামগ্ৰী

আপুনি চিনাক্ত কৰা সমল উৎস সামগ্ৰীৰে সজাব বিচৰা কাহিনী বা গল্পটোৰ ধাৰণাবোৰ আপুনি লিখি যাওক। ইয়াত কেইটামান পৰামৰ্শ দিয়া হৈছে -

- ছবি বা বস্তুৰ সহায়ত বহুতো কাহিনী বা গল্প বৰ্ণনা কৰিব পাৰি। *'Boxes on the Bus'* কাহিনীটো বৰ্ণনা কৰিবৰ কাৰণে আপুনি বিভিন্ন আকৃতিৰ বাকচ, পুতলা বাছ, বাছৰ ছবি থকা প'ষ্টাৰ, সৰু সুৰা কেইবাবিধো বস্তু নাইবা প্ৰতিটো বাকচত থকা বস্তুৰ বাবে আলোচনীৰ ছবিও ব্যৱহাৰ কৰিব পাৰে।
- কাহিনী বা গল্পটো ক'ব পৰাকৈ আপুনি কোনোবা মানুহৰ কথা ভাবিছিল নেকি? ছাত্ৰ-ছাত্ৰীৰ পৰিয়ালৰ কোনোবা মানুহে বাছ চলায় নেকি? যদি তেনেকুৱা কোনোবা আছে তেনেহ'লে তেওঁলোকক নতুবা ডাঙৰ কোনোবা ছাত্ৰক এই কাহিনী বা গল্প ক'বৰ বাবে মাতি আনিব পাৰে।
- আপোনাৰ ছাত্ৰ-ছাত্ৰীক লগত লৈ গল্পটোত পোৱা শব্দ, ছবিৰে এখন প'ষ্টাৰ বনাব পাৰে।
- আপুনি এখন সৰু নাটিকাও প্ৰস্তুত কৰিব পাৰে। এজন ছাত্ৰক তাত বাছৰ চালকৰ ভাও ল'বলৈ দিয়ক আৰু শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীক দুটা দল গঠন কৰক। তাৰে এটা দলৰ প্ৰত্যেকেই বাকচত কিছুমান বস্তু ভৰাই বাছত আহিব আৰু আনটো দলে প্ৰতিটো বাকচত কি বস্তু থাকিব পাৰে অনুমান কৰিব। নতুবা আপুনি কাহিনীটোক গীত আকাৰে সজাই সকলো ছাত্ৰ-ছাত্ৰীক দি গোৱাব

পাৰে।

আপোনাৰ শ্ৰেণীকোঠাৰ সমল আৰু আপোনাৰ ধাৰণাৰে পৰিকল্পনাটো কৰি চাওক। কেইদিনমান মনতে ধাৰণাটো লৈ বিভিন্নধৰণৰ সৰু সুৰা কাৰ্যৰ বিষয়ে ভাবিব পাৰিলে ভাল। এটা বা দুটা দীঘলীয়া ত্ৰি য়া-কলাপত কেইবাবাৰো সৰু বা চুটী ত্ৰি য়া-কলাপ কেইদিনমানৰ ভিতৰত কৰালে ই ছাত্ৰ-ছাত্ৰীৰ শিকনক শক্তিশালী কৰাত বেছি ফলপ্ৰসূ হয়। আপোনাৰ ধাৰণাটো আপোনাৰ সহকৰ্মীৰ লগত আলোচনা কৰি পাঠ পৰিকল্পনা (Lesson plan) প্ৰস্তুত কৰক।

### চিন্তন (Pause for thought)

- এই লানি কাৰ্যৰ মাজেৰে আপোনাৰ ছাত্ৰ-ছাত্ৰীসকলে কি শিকিলে? আপুনি কেনেকৈ ক'ব পাৰিব?
- প্ৰত্যেকেই সত্ৰি য়ভাৱে অংশগ্ৰহণ কৰিছিলেনে? এইটো নিশ্চিত কৰিবৰ বাবে আপুনি বেলেগকৈ কি কৰিব পাৰে?

কাহিনী বা গল্প কথন — স্মৃতিৰ পৰা বা মনত পেলাই পুনৰ গল্প কোৱাটো আপোনাৰ ছাত্ৰ-ছাত্ৰীক পঠনৰ আৰম্ভণি কৰাৰ এটা উপায়। গল্প বা কাহিনীৰ ধাৰাটোৰ লগত তেওঁলোকেই পৰিচিত কৰাই দিয়ে আৰু পৰৱৰ্তী পৰ্যায়ত কি হ'ব পাৰে সেইটোৰ বাবে তেওঁলোকৰ মনোযোগ সাঙোৰ খাই থাকে। গল্পটোৰ প্ৰসংগত আপুনি সোধা প্ৰ.নবোৰক তেওঁলোকে কেনেদৰে সঁহাৰি জনাইছে তাৰ পৰাই তেওঁলোকে কি শিকিছে আপুনি মূল্যাংকন কৰিব পাৰিব আৰু তেওঁলোকে গল্পটো পুনৰ ক'ব পাৰিবনে নাই বা আপোনাৰ সহায়তহে ক'ব পাৰিব এই কথাবোৰো আপুনি মূল্যাংকন কৰিব পাৰিব। আপোনাৰ সকলো ছাত্ৰ-ছাত্ৰীৰ বোধৰ পৰীক্ষা কৰি নিশ্চিত হ'ব আৰু যদি আপুনি ভাবে যে তেওঁলোকে গল্পটো ভালকৈ বুজিবলৈ সক্ষম হোৱা নাই তেনেহ'লে বেলেগ বেলেগ ধৰণে আপুনি গল্পটো পুনৰ ক'ব।

প্ৰাক্ পঠনৰ দক্ষতা বঢ়োৱাত আপোনাৰ ছাত্ৰ-ছাত্ৰীক সহায় কৰিব পৰা অন্য এটা উপায় হৈছে তেওঁলোকক ডাঙৰ ডাঙৰকৈ কিতাপখন পঢ়ি শুনোৱা।

## ২) ছাত্ৰ-ছাত্ৰীক ডাঙৰকৈ পঢ়ি শুনাওক (2 Reading aloud to your students)

কিতাপখন ডাঙৰকৈ পঢ়াৰ লগতে পাঠৰ শব্দবোৰত আঙুলি থৈ থৈ যদি পঢ়ে তেনেহ'লে আপুনি আপোনাৰ ছাত্ৰ-ছাত্ৰীসকলক ছপা আখৰৰ অৰ্থ বুজাত সহায় কৰা হ'ব। কেনেকৈনো কিতাপ এখন ধৰিব লাগে আৰু পাতবোৰ লুটিয়াব লাগে সেই বিষয়েও তেওঁলোকে শিকিব আৰু লগতে কেনেকৈনো কিতাপ এখন আৰম্ভণিৰ পৰা শেষলৈকে বাওঁফালৰ পৰা সোঁফালে আৰু ওপৰৰ পৰা তললৈকে সজায় সেই বিষয়েও জানিব।



চিত্ৰ ২ ঃ ছপা কৰা শব্দবোৰত আপোনাৰ আঙুলিৰে ধৰি গ'লে শব্দবোৰৰ যে অৰ্থ একোটা আছে সেইটো ছাত্ৰ-ছাত্ৰীয়ে বুজি পাব

আপুনি যদি সুন্দৰ পঠনৰ অভ্যাস কৰে, তেনেহ'লে ছাত্ৰ-ছাত্ৰীয়ে আপোনাক হুবহু অনুকৰণ কৰিব। তেওঁলোকেও আত্মনিৰ্ভৰশীল হৈ কিতাপ 'পঢ়িবলৈ' চেষ্টা কৰিব, মাজে সময়ে গল্পৰ শব্দ মনত পেলাবলৈ, উদ্‌গনিৰ বাবে ছবি ব্যৱহাৰ কৰিব আৰু কেতিয়াবা তেওঁলোকে নিজে গল্প সৃষ্টি কৰিব, তেওঁলোকৰ অভিজ্ঞতা আৰু কল্পনাক চিত্ৰিত কৰিব। এই সকলোবোৰ হৈছে উৎসাহিত হোৱাৰ লক্ষণ যে, তেওঁলোকৰ পঠন অনুশীলনৰ বিকাশ হৈছে। সেয়েহে, যেতিয়া তেওঁলোকে এইবোৰ কৰিব তেতিয়া সেইবোৰ নিৰীক্ষণ কৰিব আৰু তেওঁলোকক উৎসাহিত কৰিবলৈ নাপাহৰিব।

### ঘটনা অধ্যয়ন ৩ঃ আদৰ্শ পঠন (Case Study 3: A reading role model)

শান্তা শইকীয়া হৈছে অসমৰ এখন প্ৰাথমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰী। কণ কণ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে তেওঁ কেনেকৈ এগৰাকী দক্ষ পঢ়ুৱৈ

হ'বৰ বাবে চেষ্টা কৰিছিল তাকেই ইয়াত বৰ্ণনা কৰিছে।

কবিতাই হওক বা চুটি গল্প/সাধু/কাহিনীয়েই হওক, মই প্ৰতিদিনেই ছাত্ৰ-ছাত্ৰীৰ আগত ডাঙৰকৈ পঢ়োঁ। মই কিতাপখন বৰ সাৱধানেৰে মেলি পাতবোৰ সাৱধানেৰে লুটিয়াওঁ। এটা পদ্য বা গল্প নিৰ্বাচন কৰি লওঁ আৰু ইয়াক আৱেগ ঢালি পঢ়োঁ আৰু লগে লগে পাঠত আঙুলি বুলাই যাওঁ। ছাত্ৰ-ছাত্ৰীসকলক পাঠৰ লগত থকা ছবিবোৰ দেখুৱাই যাওঁ। একেটা পদ্য বা গল্পকে মই বিভিন্ন ধৰণেৰে এবাৰতকৈ বেছিবাৰ পঢ়োঁ। মই এইটো কৰি কৰি দেখিলোঁ যে, মোৰ কণ কণ ছাত্ৰ-ছাত্ৰীসকলেও কিতাপখন খুউব সাৱধানেৰে সোঁফালে অকনমান উঠাই ধৰিবলৈ, পাতবোৰ এটা এটাকৈ লুটিয়াবলৈ ছবিবোৰ মনোযোগেৰে চাবলৈ আৰম্ভ কৰিছে। কেতিয়াবা তেওঁলোকে শব্দৰ তলে তলে আঙুলি দিবলৈ শিকাটোও মই মন কৰিলোঁ। তেওঁলোকৰ পৰিৱৰ্তনৰ ভিতৰত মই দেখিলোঁ - ছবিবোৰ মন কৰি চোৱা, পঢ়াৰ ভাওজোৰা, পঢ়িবলৈ যত্ন কৰা নাইবা বেছিকৈ পঢ়া বা সকলো শব্দ পঢ়া। তেওঁলোকৰ এই দক্ষতা বিকাশৰ লগে লগে ব্যক্তিগতভাৱেও তেওঁলোকে আগবাঢ়িবলৈ ধৰাতো মই নিৰীক্ষণ কৰোঁ।

## ত্ৰি য়া-কলাপ ৩ঃ ছাত্ৰ-ছাত্ৰীৰ আগত ডাঙৰকৈ পঢ়ক (Activity 3: Reading aloud to your students)

৩ নং ঘটনা অধ্যয়ন আৰু ২ নং সমলৰ সহায় লৈ আপোনাৰ ছাত্ৰ-ছাত্ৰীৰ লগত ডাঙৰকৈ পঢ়াৰ পৰিকল্পনা, কাৰ্যকৰণ আৰু মূল্যাংকন কৰক। সম্ভৱ হ'লে আপোনাৰ ধাৰণা আপোনাৰ সহকৰ্মীৰ লগত বিনিময় কৰক।

কণ কণ ছাত্ৰ-ছাত্ৰীসকলে প্ৰাক্ পঠনত ব্যৱহাৰ কৰিব পৰাকৈ কিছুমান কৌশল পাছৰ পৰ্যায় (শাখাত) ত বৰ্ণনা কৰা হৈছে।

## ৩) পঠনৰ দিশ/পথ (3 Pathways to reading)

কণ কণ ছাত্ৰ-ছাত্ৰীসকলে পঢ়িবলৈ বিভিন্নধৰণেৰে শিকিব পাৰেঃ

- গল্প/কাহিনী শুনা আৰু শুনা ভাষাটো পুনৰাবৃত্তি কৰা। তাকে কৰোঁতে তেওঁলোকে ভাষাটো নিজৰ কৰি লয় আৰু কথন, খণ্ডবাক্য পঢ়ে- অৰ্থাৎ ভাব প্ৰকাশ, খণ্ডবাক্য আৰু বাক্য।
- প্ৰতিটো বৰ্ণ আৰু শব্দৰ পঠন, কি কি শব্দৰ সংযোজন হৈছে সঠিকভাৱে জনা আৰু প্ৰতিটো শব্দৰ অৰ্থ জনা
- তেওঁলোকৰ পঠনত সহায় কৰিবৰ বাবে ছবিৰ ব্যৱহাৰ কৰা আৰু পাঠটোৰ শব্দবোৰ বুজি পোৱা

বহুতো ছাত্ৰ-ছাত্ৰীয়ে প্ৰকৃততে এই সকলোবোৰ কৌশল সানমিহলি কৰি ব্যৱহাৰ কৰে।

## ঘটনা অধ্যয়ন ৪ঃ দীপা ডেকাৰ ছাত্ৰ-ছাত্ৰীক পঢুৱাৰ কৌশল (Case Study 4: Deepa students' reading strategies)

দীপা ডেকা মঙ্গলদৈৰ প্ৰথম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীক পঢুৱা এগৰাকী শিক্ষয়িত্ৰী। কণ কণ ছাত্ৰ-ছাত্ৰীৰ পঢ়াৰ কিছুমান কৌশল তেওঁ ইয়াত বৰ্ণনা কৰিছে।

নৱনীতা এগৰাকী উদ্যমী আৰু নাটকীয়ভাৱেৰে কাহিনী বা গল্প ক'ব পৰা শিক্ষাৰ্থী আছিল। তেওঁ নিয়মীয়াকৈ সহপাঠীসকলৰ আগত কাহিনী কৈছিল। তাৰে কিছুমান মনত পেলাই কৈছিল আৰু কিছুমান তাতেই সাজি সাজি কৈছিল। যেতিয়া শ্ৰেণীত মই কাহিনী কৈছিলোঁ তেতিয়া তেওঁ খুউব মনোযোগেৰে শুনিছিল। মই কোৱাৰ দৰেই মূল শব্দবোৰ আৰু খণ্ডবাক্যবোৰ পুনৰাবৃত্তি কৰিছিল। নৱনীতাই নিজে যেতিয়া ডাঙৰকৈ পঢ়িছিল, তেতিয়া কিছুমান ভুল কৰিছিল, যেনে- donkey ৰ ঠাইত তেওঁ horse বুলি কৈছিল। যদিও তেওঁ বেলেগ এটা শব্দ কৈছিল তথাপি তাৰো এটা অৰ্থ আছিল। শব্দ চিনাক্তকৰণ উন্নত কৰিবৰ বাবে মই নৱনীতাক কিছুমান সহজ কিতাপ পঢ়িবৰ বাবে উৎসাহ দিয়াৰ সিদ্ধান্ত লৈছিলোঁ। মই তেওঁক ৰঙৰ বিষয়ে থকা এখন কিতাপ দিছিলোঁ। নৱনীতাই কিতাপখনৰ বেটুপাতটো চাইছিল, খৰকৈ পাতবোৰ লুটিয়াইছিল আৰু অতি উত্তেজিতভাৱে কৈছিল- "এইখন কিতাপত ৰঙৰ বিষয়ে জানিবলগীয়া কথা আছে।" কিতাপখনত সকলো ৰঙৰ কথা আছে, আমি ৰঙা, হালধীয়া, নীলা বস্তু ক'ত দেখা পাওঁ। কিতাপখনত ৰঙা, হালধীয়া, নীলা বস্তু আমি ক'ত দেখা পাওঁ সেই কথা আছে। গাড়ীৰ ওপৰত, ৰাস্তাত, ঘৰত বা ফুলৰ মাজত। মই নৱনীতাক প্ৰতিটো শব্দ পঢ়িবৰ বাবে উৎসাহিত কৰিছিলোঁ।

নিজৰ পঠন সম্পূৰ্ণ শুদ্ধকৈ কৰিবৰ বাবে বদন খুউব আগ্ৰহী আছিল। তেওঁ শুদ্ধকৈ আৰু লাহে লাহে শব্দৰ প্ৰতিটো বৰ্ণ চিঞৰি চিঞৰি পঢ়িছিল। তেওঁ যেতিয়া নিজে নজনা এটা শব্দ পাইছিল, বদনে তেতিয়া পঢ়া বন্ধ কৰিছিল। তেওঁ চেষ্টা কৰিছিল, পাঠৰ অৰ্থ পাহৰিছিল আৰু তেওঁ হতাশ হৈ পৰিছিল। মই কোৱা গল্পবোৰ তেওঁক শুনিবলৈ উৎসাহ দিছিলোঁ আৰু সেইবোৰ তাৰ নিজৰ শব্দৰে পুনৰ ক'বলৈ

দিছিলোঁ। মই তেওঁক মোৰ আৰু ছাত্ৰ-ছাত্ৰীৰ লগত ডাঙৰকৈ পঢ়িবলৈ মাতি আনিছিলোঁ আৰু ক'ৰবাত অকনমান ভুল ভ্ৰান্তি হ'লে তাৰ বাবে চিন্তিত নহ'বলৈ বুজাই দিছিলোঁ।

শ্ৰেণীত মই ডাঙৰকৈ পঢ়া গল্প বা কাহিনীবোৰ প্ৰমীলাই আনন্দেৰে শুনিছিল। মই প্ৰায়ে তাইক মন কৰিছিলোঁ যে পাছত তাই একেখন গল্পৰ কিতাপকে ডাঙৰকৈ পঢ়িছিল। এদিনাখন, ছবি আৰু সাধাৰণ বাক্য থকা কিতাপ এখন তাই একান্ত মনেৰে চাই থকা দেখি মোক এটা পৃষ্ঠা পঢ়ি শুনাব নেকি বুলি মই শুধিছিলোঁ। তাই গল্পটো সঠিকভাৱেই বৰ্ণনা কৰিছিল কিন্তু কিতাপখন চোৱা নাছিল নাইবা পাঠটোৰ এটা শব্দও দেখুৱাব পৰা নাছিল। মই তাইক খুউব প্ৰশংসা কৰিছিলোঁ। কিতাপৰ ছবিবোৰ ঢাকি ধৰি গল্পটো পুনৰ ক'বলৈ কৈছিলোঁ। ছবিৰ সহায় নোলোৱাকৈ ক'বলৈ যাওঁতে তাই ৰ'বলগীয়া হৈছিল। যেতিয়া মই ছবিবোৰ আকৌ দেখুৱাই দিছিলোঁ তেতিয়া তাই পুনৰ গল্পটো কৈ যাব পাৰিছিল। তাই গল্পটো মনত ৰাখিব পাৰিছিল কিন্তু পঢ়িবলৈ শিকিবলৈ বাকী আছিল। মই তাইৰ লগত পঢ়িছিলোঁ আৰু পঢ়াৰ লগে লগে প্ৰতিটো শব্দ দেখুৱাই দিছিলোঁ যাতে তাই ভালকৈ জনা গল্পটো কিতাপৰ আখৰৰ লগত সম্পৰ্কিত কৰিব পাৰে।

ঘটনা অধ্যয়নটোত, দীপা ডেকাই মন কৰিছিল যে, তেওঁৰ ছাত্ৰ-ছাত্ৰীসকলে পঠন শিকনৰ বাবে পৃথক কৌশল ব্যৱহাৰ কৰিছিল আৰু পাছত ইজনে সিজনক সহায়ৰ বাবে পদক্ষেপো লৈছিল।

## চিন্তন (Pause for thought)

- আপোনাৰ নিজৰ শ্ৰেণীকোঠাত নবনীতা, বদন আৰু প্ৰমীলাৰ দৰে ছাত্ৰ-ছাত্ৰী আছেনে?
- ওপৰত উল্লেখ কৰাৰ দৰে বিভিন্ন কৌশল ব্যৱহাৰ কৰা ছাত্ৰ-ছাত্ৰী আপোনাৰ শ্ৰেণীত আছেনে?

পঠনৰ বাবে মাত্ৰ এটা পথেই নাই। সেয়েহে বিভিন্নধৰণেৰে এই জটিল কামটো অনুশীলনৰ বাবে ছাত্ৰ-ছাত্ৰীক শিক্ষকে উৎসাহিত কৰিব লাগে।

আপোনাৰ ছাত্ৰ-ছাত্ৰীক কেনেকৈ ফলপ্ৰসূভাৱে নিৰীক্ষণ কৰিব আৰু প্ৰতিক্ৰিয়া জানিব সেই বিষয়ে সমল ৩ য়ে বহু ধাৰণা আগবঢ়াইছে। আপুনি ছাত্ৰ-ছাত্ৰীৰ প্ৰতি প্ৰকাশ কৰা উৎসাহজনক প্ৰতিক্ৰিয়াই তেওঁলোকৰ প্ৰাক্ পঠনক প্ৰগতিৰ পথত আগবঢ়াই নিব পাৰে।

## ভি ডি অ' ঃ নিৰীক্ষণ কৰা আৰু প্ৰতিপুষ্টি প্ৰদান (Video: Monitoring and giving feedback)

## ক্ৰিয়া-কলাপ ৪ঃ আপোনাৰ শ্ৰেণীকোঠাত পঠনৰ পৰ্যৱেক্ষণ (Activity 4: Observing reading in your classroom)

আপোনাৰ ছাত্ৰ-ছাত্ৰীসকলক সঠিকভাৱে সমৰ্থন দিবৰ বাবে সক্ষম হ'বলৈ হ'লে তেওঁলোকে পঠনৰ বাবে কি কৌশল অৱলম্বন কৰিছে সেইটো জনাতো অতি গুৰুত্বপূৰ্ণ। এই খবৰবোৰ ৰাখিবৰ বাবে এখন টেবুল ব্যৱহাৰ কৰাতো বেছি ব্যৱহাৰোপযোগী পথ হ'ব। এই খবৰখিনিয়ে ছাত্ৰ-ছাত্ৰীৰ পঠনৰ প্ৰগতিত সহায় কৰা পৰিকল্পনা প্ৰস্তুত কৰাত আপোনাক সক্ষম কৰি তুলিব। তলত টেবুল ১ ত এটা আৰ্হি দেখুওৱা হৈছে।

আপোনাৰ ছাত্ৰ-ছাত্ৰীসকল সলনি হোৱা কথাটো নিৰীক্ষণ কৰোঁতে ছাত্ৰ-ছাত্ৰীসকলে ব্যৱহাৰ কৰা কৌশল বা উপায়ৰ তলতে তেওঁলোকৰ নামটোও ভৰাই থওক।

ঘটনা অধ্যয়ন ৪ ত বৰ্ণনা কৰা নবনীতা, বদন আৰু প্ৰমীলাৰ পঠন কৌশল বা উপায়ক মূল্যাংকন কৰি আপুনি প্ৰথমতে অনুশীলন কৰোৱাত সহায় হ'ব বুলি নিশ্চিত কৰি লওক। আপোনাৰ শ্ৰেণীৰ সকলোৰে বাবে -

টেবুল ১ আপোনাৰ ছাত্ৰ-ছাত্ৰীসকলৰ পঠন কৌশল নিৰীক্ষণ

| **Guesses** (অনুমান কৰে) | **Memorises** (স্মৰণ কৰে) | **Uses pictures to predict** (ছবিৰ ব্যৱহাৰ কৰি অনুমান কৰে) | **Predicts using first letter of a word** (শব্দৰ প্ৰথম আখৰ ব্যৱহাৰ কৰি অনুমান কৰে) | **Reads each individual word** (প্ৰতিটো শব্দ গাইগুটীয়াকৈ পঢ়ে) | **Reads chunks of text** (পাঠৰ অংশ পঢ়ে) | **Points to each word** (প্ৰতিটো শব্দ নিৰ্দ্দিষ্টকৈ দেখুৱায়) | **Moves finger under sentences** (বাক্যৰ তলে তলে আঙুলি বুলায়) |
|---|---|---|---|---|---|---|---|
| | | | | | | | |
| | | | | | | | |
| | | | | | | | |
| | | | | | | | |
| | | | | | | | |

কৌশলবোৰ আপোনাৰ কোনোবা ছাত্ৰ-ছাত্ৰীয়ে সালমিহলি কৰি ব্যৱহাৰ কৰেনে ?

আপোনাৰ ছাত্ৰ-ছাত্ৰীয়ে বেলেগ কিবা কৌশল ব্যৱহাৰ কৰে নেকি আপুনি মন কৰিছেনে বাৰু? যদি কৰিছে, তেনেহ'লে সেইটো এই টেবুলত অন্তৰ্ভুক্ত কৰক।

একেধৰণৰ কৌশল ব্যৱহাৰ কৰাসকলক চিনাক্ত কৰি ত্ৰ মানুযায়ী তেওঁলোকৰ দল গঠন কৰি লওক। ছাত্ৰ-ছাত্ৰীৰ বিভিন্ন প্ৰয়োজন পূৰাব পৰাকৈ আপুনি পাঠৰ পৰিকল্পনা কৰক। কোনোবাজন ছাত্ৰ-ছাত্ৰীক হয়তো আপোনাৰ পৰা ব্যক্তি গত সমৰ্থনৰ প্ৰয়োজন হ'ব পাৰে। অন্যবোৰৰ মাজত কামৰ সুবিধাৰ বাবে আপুনি সৰু সৰু দল গঠন কৰি ল'ব পাৰে। বেলেগ বেলেগ কৌশল ব্যৱহাৰ কৰা পঢ়ুৱৈ ছাত্ৰ-ছাত্ৰীকো দুজনীয়া দলত পঢ়িবলৈ দি চাওকচোন তেওঁলোকে কিজানি ইজনৰ পৰা সিজনে শিকিব পাৰেই।

আপোনাৰ কণ কণ ছাত্ৰ-ছাত্ৰীৰ পঠনৰ অগ্ৰগতিৰ খতিয়ান ৰাখি যাবৰ বাবে টেবুলৰ প্ৰতিলিপি বিদ্যালয়ৰ বছৰটোৰ বাবে ব্যৱহাৰ কৰি যাব।

সাফল্য (Performance) আৰু প্ৰগতিৰ মূল্যাংকন নামৰ মূল সমলকো পঠনৰ সহায়ৰ বাবে গ্ৰহণ কৰিব পাৰে।

**ভি ডি অ' ঃ** প্ৰগতি আৰু সাফল্যৰ মূল্যাংকন (Video: Assessing progress and performance)

## ৪) সাৰাংশ (4 Summary)

প্ৰাক্ পঠন শিকন সদায় পাৰস্পৰিক কামত লগাই ৰখা আৰু আনন্দদায়ক প্ৰক্ৰিয়া হোৱা উচিত। কাহিনী কথনেই হওক বা ডাঙৰকৈ পঢ়াই হওক, ই ছাত্ৰ-ছাত্ৰীক খণ্ডবাক্যবোৰ পুনৰাবৃত্তি কৰা, ভংগিমা দেখুওৱা, ইয়াৰ পাছত কি হ'ব অনুমান কৰা, পাছত কাহিনীটো পুনঃস্মৰণ কৰা আৰু প্ৰাসংগিক নাটক বা শিল্পকাৰ্য কৰাৰ সুযোগবোৰ দিব লাগে।

কণ কণ ছাত্ৰ-ছাত্ৰীৰ বাবে প্ৰত্যেক দিনাই বেছি সময় পঢ়াতকৈ কম সময় পঢ়া বেছি ফলপ্ৰসূ হয়।

যেতিয়া ছাত্ৰ-ছাত্ৰীয়ে পঠনত দক্ষজনক দেখিব আৰু নিয়মিতভাৱে কিতাপবোৰ চুই কৰি থাকিব তেতিয়া তেওঁলোকে নিজেই পঢ়িবৰ বাবে চেষ্টা কৰিব।

এজন পঢ়ুৱৈ হোৱাৰ বহুতো পথ বা দিশ আছে। আনন্দদায়ক কাম-কাজৰ মাজেৰে অনুশীলন আৰু অতিৰিক্ত সময়ৰ সমৰ্থনত আপোনাৰ ছাত্ৰ-ছাত্ৰীসকল পঠনত অতি সলসলীয়া আৰু আত্মবিশ্বাসী হ'ব পাৰে। তাৰ পৰাই ধ্বনিৰ ভেঁটিও ভৱিষ্যতৰ বাবে গঢ় ল'ব পাৰে।

## সমলসমূহ (Resources)

### সমল ১ ঃ 'Boxes on the Bus' (Resource 1: 'Boxes on the Bus')

বাছখন আহি ষ্টেচনত ৰ'লহি। এজন বয়সস্থ লোক বাছখনত উঠিল। তেওঁ এটা মুগা ৰঙৰ বাকচ কঢ়িয়াই আনিছিল আৰু বাকচটোৰ ভিতৰত আছিল এটা টুপী তাৰপাছত সন্তানক লৈ এগৰাকী মাক বাছখনত উঠিল। তেওঁ এটা সৰু বগা বাকচ কঢ়িয়াই আনিছিল আৰু বাকচটোৰ ভিতৰত আছিল এডাল চেইন। তাৰপাছত এটা বৰ দীঘল কাঠৰ বাকচ লৈ এজন কাঠকটীয়া বাছখনত উঠিল। তেওঁৰ বাকচটোত আছিল এখন কুঠাৰ। তাৰপাছত এগৰাকী ৰান্ধনি বাছখনত উঠিল। তেওঁৰ হাতত আছিল এটা চেপেটা আৰু ঘূৰণীয়া বাকচ আৰু তাৰ ভিতৰত আছিল এখন ৰুটি।

গল্প বা কাহিনীটো আপুনি নিজৰ ইচ্ছামতে দীঘল কৰি ক'ব পাৰে। বাছখনত যেতিয়া বহুত ভিৰ হৈ গ'ল, তেতিয়া বাছৰ চালকজনে ক'লে, "মই আৰু বেছি মানুহ বা বাকচ উঠাব নোৱাৰোঁ। বাছৰ দুৱাৰ বন্ধ কৰা। পিপ্ পিপ্।"

ওপৰত কোৱাৰ দৰে বাকচৰ আকাৰ, ৰং, বাকচবোৰ তৈয়াৰ কৰা সামগ্ৰী আদিৰ ৰসাল বৰ্ণনাৰে আপুনি কাহিনীটো অধিক ৰহস্য ঘন আকৰ্ষণীয় কৰি তুলিব পাৰে আৰু কাহিনীৰ বিষয়বস্তুৰ বেলিকাও বৰ্ণনামূলক শব্দ আৰু বাকচৰ ভিতৰত অধিক বস্তু (যেনে - "তেওঁ এটা গধুৰ লোহাৰ বাকচ কঢ়িয়াই আনিছিল আৰু তাৰ ভিতৰত আছিল এযোৰ পুৰণা চামৰাৰ জোতা, অলপমান পিঠাগুড়ি, তিনিটা নোদোকা কুকুৰা চৰাই) নতুবা গণনা কৰিব নোৱাৰা বস্তু নাইবা, বাকচৰ ভিতৰৰ পৰা শব্দ আহি থকা (যেনে - তাই এটা অতি সৰু বাকচ আনিছিল আৰু বাকচৰ ভিতৰৰ পৰা এটা চিঁ চিঁয়নি শব্দ শুনা গৈছিল) বস্তুৰ কথাৰে ইয়াক অধিক প্ৰত্যাহ্বানমূলক কৰি তুলিব পাৰে। গল্পটো ছাত্ৰ-ছাত্ৰীৰ আগত বেলেগ বেলেগ বৃত্তিধাৰী মানুহৰ কথা আৰু তেওঁলোকে ব্যৱহাৰ কৰা বেলেগে বেলেগ সা-সঁজুলিৰ বিষয়েও ক'ব পাৰে। বাকচ আৰু তাৰ ভিতৰৰ বস্তুবোৰৰ তালিকা দীঘল হ'লে এইটো স্মৃতিৰ এটা খেল হ'ব পাৰে।

### সমল ২ ঃ ডাঙৰকৈ পঢ়া সময়ৰ পৰিকল্পনা (Resource 2: Reading aloud session plan)

#### প্ৰস্তুতি (Preparation) ঃ

- ডাঙৰকৈ পঢ়িবৰ বাবে এটা সহজ-সৰল কাহিনী ঠিক কৰি লওক। গল্পৰ শব্দ আৰু ছবিবোৰ আপোনাৰ সকলো ছাত্ৰ-ছাত্ৰীয়ে দেখা পোৱাকৈ কিতাপখন ডাঙৰ হোৱা প্ৰয়োজন।
- আগতীয়াকৈ আপুনি কাহিনীটোৰ লগত পৰিচিত হৈ লওক।
- সহকৰ্মী নাইবা ঘৰৰ মানুহৰ সন্মুখত আৱেগ প্ৰকাশ কৰি কাহিনীটো পঢ়াৰ অনুশীলন কৰি লওক। কিতাপখন পঢ়োতে এনেদৰে ধৰি থাকক যাতে ছাত্ৰ-ছাত্ৰীয়ে আপুনি পঢ়ি থাকোতে কিতাপখনৰ ছবি শব্দবোৰ দেখাও পাই থাকে।
- স্কুলৰ ভাষাত দুৰ্বল বা আত্মবিশ্বাস কম থকা ছাত্ৰ-ছাত্ৰীৰ কাৰণে মনলৈ অহা (কাহিনীও পোৱা) অচিনাকি শব্দ বা ধাৰণা লিখি ৰাখক।

#### কাহিনী / গল্প পঠনৰ আগত (Before reading the story)

- প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়ে কিতাপখন ভালদৰে দেখা পোৱাকৈ আপোনাৰ চাৰিওফালে তেওঁলোকক গোটাই লওক।
- ছাত্ৰ-ছাত্ৰীৰ অভিজ্ঞতাৰ লগত মিলাই কাহিনীৰ মূল বিষয়বস্তুৰ বিষয়ে ছাত্ৰ-ছাত্ৰীক কিবা অলপ কৈ লওক।
- ছাত্ৰ-ছাত্ৰীয়ে অৰ্থ নজনা শব্দ যদি কাহিনীত আছে তেনে শব্দ তেওঁলোকক কৈ যাওক আৰু লগতে অৰ্থবোৰো বুজাই যাওক। ঘৰুৱা ভাষাৰ লগত বিদ্যালয়ৰ ভাষাৰ পাৰ্থক্য থকা ছাত্ৰ-ছাত্ৰীৰ বাবে এইটো বিশেষভাৱে প্ৰয়োজনীয়।
- বেটুপাতটো দেখুৱাই কিতাপখনৰ লগত তেওঁলোকক চিনাকি কৰাই লওক। নিৰ্দিষ্টকৈ দেখুৱাই নামটো পঢ়ক। বেটুপাতত থকা ছবিবোৰৰ বিষয়ে কথা পাতক আৰু কাহিনী বা গল্পটো কি বিষয়ে হ'ব পাৰে তেওঁলোকে অনুমান কৰিব পাৰেনে সুধি চাওক।

#### কাহিনী / গল্প পঠন (Reading the story)

- প্ৰকাশ ভংগীমাৰে পাঠটো পঢ়ক। প্ৰতিটো চৰিত্ৰৰ বাবে বেলেগ বেলেগ মাত উলিয়াওক।

- পঢ়ি যোৱা বাক্যৰ প্ৰতিটো শব্দৰ তলে তলে আঙুলি বুলাই যাওক।
- সংলগ্ন কৰি ৰখা ছবিখনত কি দেখুৱাইছে ছাত্ৰ-ছাত্ৰীক বৰ্ণনা কৰিবলৈ দি সুধি চাওক।
    - ছবিখনত তুমি কি দেখিছা?
    - কি দেখুৱাইছে বুলি তুমি ভাবিছা?'
- য'ত সঠিক যেন লাগিব তাত আপুনি আৰু এটা কাম কৰিব পাৰে। পাছৰ পাঠটো লুটিওৱাৰ আগতে কোনো এজন ছাত্ৰ-ছাত্ৰীক মাতি ইয়াৰ পাছত কি হ'ব পাৰে এনেকৈ সুধি চাব পাৰে —
    - ইয়াৰ পাছত কি হ'ব পাৰে বাৰু? মোৰো আচৰিত লাগিছে।
    - এতিয়া সি ক'বনে? তুমি কি ভাবা?

## কাহিনী / গল্প পঠনৰ পাছত (After reading the story)

কাহিনী বা গল্পটোৰ বিষয়ে কথা পাতক। ছাত্ৰ-ছাত্ৰীসকলক এনেধৰণৰ প্ৰ.ন সোধক —

- তুমি আটাইতকৈ কোনটো অংশ বেছি ভাল পালা?
- কোনটো চৰিত্ৰ তোমাৰ ভাল লাগিল আৰু কিয় ভাল লাগিল?

কণ কণ ছাত্ৰ-ছাত্ৰীৰ পৰা সবিস্তাৰে উত্তৰটো আশা নকৰিব। আপুনি আদৰ্শ (Model) হৈ আলোচনা প্ৰক্ৰি য়াটো আনন্দমধুৰ কৰি তোলক আৰু পঠন প্ৰক্ৰি য়াটো সুখদায়ক কৰি তোলক। নিজা মতামত আগবঢ়াবলৈ নাপাহৰিব কিন্তু!

## মূল্যাংকনৰ বাবে সুযোগ (Opportunities for assessment)

- আপুনি ছাত্ৰ-ছাত্ৰীৰ আগত গল্প বা কাহিনীটো পঢ়ি থাকোতে তেওঁলোকৰ সঁহাৰি কেনেকুৱা আছিল?
- তেওঁলোকৰ কোনোবাই বুজা নাই যেন লাগিছিল নেকি? যদি হয় তেনেহ'লে কিয় তেনেকুৱা হৈছিল?
- তেওঁলোকৰ মাজৰ কোনোবাই পাছত গল্প বা কাহিনীৰ পৰা মূল শব্দ বা ভাব প্ৰকাশ কৰিছিল নেকি?
- কোনোবা ছাত্ৰ-ছাত্ৰীয়ে পাছত কিতাপখন তুলি লৈছিল নেকি, অকলে কিতাপখন চাইছিল নেকি, নতুবা আপুনি পঢ়াৰ দৰে পঢ়িছিল নেকি?

# সমল ৩ ঃ নিৰীক্ষণ কৰা আৰু প্ৰতিপুষ্টি প্ৰদান কৰা (Resource 3: Monitoring and giving feedback)

ছাত্ৰ-ছাত্ৰীৰ ফলাফল ভাল কৰিবলৈ হ'লে ধাৰাবাহিকভাৱে নিৰীক্ষণ কৰিব লাগিব আৰু লগতে তেওঁলোকক প্ৰতিপুষ্টি প্ৰদান কৰি থাকিব লাগিব যাতে তেওঁলোকৰ পৰা কি আশা কৰা হৈছে আৰু কামবোৰ শেষ কৰাৰ পাছত তেওঁলোকে আৰু কি কৰিব লাগিব গম পাই থাকে। গঠনমূলকভাৱে আপুনি কথাবোৰ জনাই থাকিলেহে তেওঁলোকে আকাংক্ষিত ফলাফলৰ দিশত আগবাঢ়ি যাব পাৰিব।

## নিৰীক্ষণ (Monitoring)

সফল শিক্ষক এজনে বেছি ভাগ সময় ছাত্ৰ-ছাত্ৰীক নিৰীক্ষণ কৰি থাকে। সাধাৰণতে, বহুতো শিক্ষকে তেওঁলোকৰ ছাত্ৰ-ছাত্ৰীয়ে শ্ৰেণীত কি কৰি থাকে সেই কথাটো শুনি আৰু পৰ্যৱেক্ষণ কৰি তেওঁলোকৰ কামক নিৰীক্ষণ কৰে। ছাত্ৰ-ছাত্ৰীৰ প্ৰগতিৰ নিৰীক্ষণ কৰাটো জটিল কাৰণ ই তেওঁলোকক এনেধৰণে সহায় কৰে—

- ছাত্ৰ-ছাত্ৰীয়ে উচ্চ মান (Grade) লাভ কৰাৰ ক্ষেত্ৰত
- নিজৰ সাফল্যৰ প্ৰতি অধিক সচেতন আৰু পূৰ্বানুমান নিজৰ শিকনৰ প্ৰতি অধিক দায়িত্বশীল হোৱাৰ ক্ষেত্ৰত
- নিজৰ শিকনৰ উন্নতি কৰাৰ ক্ষেত্ৰত
- ৰাজ্যিক আৰু স্থানীয়ভিত্তিক পৰীক্ষাবোৰত কৃতকাৰ্যতা লাভৰ পূৰ্বানুমান কৰিব পাৰে

**শিক্ষক হিচাপে সিদ্ধান্ত লোৱাত ই আপোনাক সহায় কৰিব**

- কেতিয়া প্ৰ.ন সুধিব বা কেনে কথাৰ বাবে উদ্বুদ্ধ কৰিব

- কেতিয়া প্ৰশংসা কৰিব
- প্ৰত্যাহ্বানৰ সৃষ্টি কৰিব নেকি
- বেলেগ বেলেগ দলৰ ছাত্ৰ-ছাত্ৰীক একেটা কামত কেনেকৈ অৰ্ন্তভুক্ত কৰিব
- ভুলৰ ক্ষেত্ৰত কি কৰিব?

ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰগতিৰ বিষয়ে তেওঁলোকক স্পষ্টভাৱে পুনৰ জনাই থাকিলে তেওঁলোক বেছি আগবাঢ়ি যাব পাৰে। নিৰীক্ষণৰ যোগেদি আপুনি নিয়মিতভাৱে তেওঁলোকক প্ৰগতিৰ খতিয়ান জনাই থকাত সক্ষম হ'ব। ছাত্ৰ-ছাত্ৰীসকলে কি কৰি আছে আৰু ভালকৈ শিকিবৰ বাবে তেওঁলোকে কি কৰিব লাগিব সেইবোৰ কথা তেওঁলোকক জনাই থাকক। ছাত্ৰ-ছাত্ৰীসকলে নিজাকৈ শিকনৰ লক্ষ্য স্থিৰ কৰোঁতে কৰিবলগীয়া সহায়ৰ ক্ষেত্ৰত আপুনি প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব। ইয়াকে স্ব-নিৰীক্ষণ বোলে।

শিকনৰ বাবে বহুত চেষ্টা বা কষ্ট কৰিবলগীয়া হোৱা ছাত্ৰ-ছাত্ৰীসকলে নিজা শিকনৰ বাবে দায়িত্ব নলয়। কিন্তু এটা প্ৰকল্পৰ লক্ষ্য স্থিৰ কৰাৰ বেলিকা বা শিকন লক্ষ্য স্থিৰ কৰাৰ ক্ষেত্ৰত আপুনি যিকোনো ছাত্ৰকে সহায় কৰিব পাৰে। তেওঁলোকৰ কামৰ পৰিকল্পনা প্ৰস্তুত কৰাত আৰু কাম শেষ কৰাত, সময় স্থিৰ কৰাত আৰু নিজৰ প্ৰগতি নিজেই নিৰীক্ষণ কৰাত সহায় কৰে। এই স্ব-নিৰীক্ষণৰ অনুশীলন আৰু দক্ষতা অৰ্জনে ছাত্ৰ-ছাত্ৰীক স্কুলীয়া তথা জীৱনজোৰা সাধনাত সহায় কৰিব।

## ছাত্ৰ-ছাত্ৰীয়ে পঢ়া শুনক আৰু পৰ্যৱেক্ষণ কৰক (Listening to and observing students)

এজন শিক্ষকে সচৰাচৰ কৰাৰ দৰে বেছিভাগ সময় আপুনি তেওঁলোকৰ পঢ়া শুনক আৰু পৰ্যৱেক্ষণ কৰক। এইটো এটা সাধাৰণভাৱে কৰিব পৰা নিৰীক্ষণৰ আঁহিলা বা কৌশল (Tool) উদাহৰণস্বৰূপে আপুনি এনেকুৱা কৰিব পাৰে—

- ছাত্ৰ-ছাত্ৰীক ডাঙৰ ডাঙৰকৈ পঢ়িবলৈ দি শুনক।
- দুজনকৈ বা ততোধিককৈ দল কৰি আলোচনা কৰিবলৈ দিয়ক আৰু শুনক।
- শ্ৰেণীকোঠাতেই হওক বা বাহিৰতেই হওক সমল ব্যৱহাৰ কৰিবলৈ দি আপুনি তেওঁলোকক পৰ্যৱেক্ষণ কৰক।
- কাম কৰি থাকোঁতে দলসমূহৰ শাৰীৰিক ভাষা (Body language) পৰ্যৱেক্ষণ কৰক।

আপুনি ৰাখি যোৱা ছাত্ৰ-ছাত্ৰীৰ প্ৰগতিৰ খতিয়ান বা শিকনৰ তথ্যবোৰ সত্য শুদ্ধ প্ৰমাণ বুলি নিশ্চিত হওক। এইবোৰে আপোনাৰ একমাত্ৰ তথ্য যিবোৰ আপুনি চাব পাৰে, শুনিব পাৰে, বিচাৰ কৰি চাব পাৰে নাইবা হিচাপ কৰি চাব পাৰে।

তেওঁলোকে কাম কৰি থাকোতে শ্ৰেণীকোঠাৰ ভিতৰত আপুনি ঘূৰা-পকা কৰি তেওঁলোকক মন কৰক যাতে আপুনি এটা পৰ্যৱেক্ষণ টোকা তৈয়াৰ কৰিব পাৰে। আপুনি এখন শ্ৰেণী তালিকা প্ৰস্তুত কৰিব পাৰে যে কোন ছাত্ৰক বেছি সহায়ৰ প্ৰয়োজন আৰু কোনোধৰণৰ ভুল বুজাবুজিৰ সৃষ্টি হোৱা কথাবোৰ ইয়াত লিপিবদ্ধ কৰিব পাৰে। এই পৰ্যৱেক্ষণবোৰ আপুনি ব্যৱহাৰ কৰিব পাৰিব আৰু শ্ৰেণীটোক উৎসাহিত বা উদগনি দিবৰ বাবে তেওঁলোকক পুনৰ ক'বৰ বাবেও এইবোৰ ব্যৱহাৰ কৰিব পাৰিব।

## প্ৰতিপুষ্টি প্ৰদান কৰা (Giving feedback) ঃ

আকাংক্ষিত ফলাফল লাভৰ বাবে ছাত্ৰ-ছাত্ৰীসকলে কেনেদৰে কাম কৰিলে সেই বিষয়ে তেওঁলোকক জনাবৰ বাবে ই হৈছে এক সম্ভেদ (information)

ফলপ্ৰসূ তথ্যবোৰ আপুনি ছাত্ৰ-ছাত্ৰীক এনেদৰে জনাব পাৰে—

- কি ঘটি আছে সেই বিষয়ে সম্ভেদ
- কিমান ভালদৰে কামটো কৰা হ'ল তাৰ মূল্যায়ন
- তেওঁলোকৰ কামখিনি আৰু কিমান ভালদৰে কৰিব পৰা গ'লহেঁতেন তাৰ পৰামৰ্শ

আপুনি প্ৰতিজন ছাত্ৰকে পুনৰ কথাবোৰ জনাই থকাটোৱে ছাত্ৰ-ছাত্ৰীক এইখিনি জনাত সহায় কৰে যে -

- তেওঁলোকে প্ৰকৃততে কি কৰিব পাৰে
- তেওঁলোকে এতিয়াও কি কৰিব পৰা নাই
- কেনেকৈ নিজৰ কামটো আনৰ লগত তুলনা কৰা হয়

- তেওঁলোকে কেনেকৈ আগুৱাই যাব পাৰে

এইটো মনত ৰখাৰ প্ৰয়োজন যে ফলপ্ৰসূভাৱে পুনৰ কথাবোৰ জনাই থাকিব পাৰিলে ছাত্ৰ-ছাত্ৰীৰ সহায় হয়। আপুনি ভালদৰে কথাবোৰ পুনৰ জনাই থাকিব পৰা নাই কাৰণ আপুনি দিয়া প্ৰতিপুষ্টি স্পষ্ট নহয়।


পুনৰ প্ৰেৰণ বা জনাই থকা কামটো ফলপ্ৰসূভাৱে কৰা মানে হৈছে—

- আলোকপাত কৰা - কৰি থকা কামটোৰ ওপৰত আৰু ছাত্ৰ-ছাত্ৰীয়ে শিকিবলগীয়া কথাৰ ওপৰত আলোকপাত কৰা
- স্পষ্ট আৰু সততা - ছাত্ৰ-ছাত্ৰীক তেওঁলোকৰ শিকনৰ ভালখিনিৰ বিষয়ে আৰু লগতে কি ভাল কৰাৰ প্ৰয়োজন আছে, সেই বিষয়ে কোৱা
- কাৰ্যক্ষম - ছাত্ৰ-ছাত্ৰীয়ে কৰিব পৰা কামৰ বিষয়ে কোৱা
- সঠিক ভাষা - ছাত্ৰ-ছাত্ৰীয়ে বুজিব পৰাকৈ সঠিক ভাষা ব্যৱহাৰ কৰা
- সঠিক সময় - যদি বেছি সোনকালে প্ৰতিপুষ্টি দিয়ে, ছাত্ৰজনে ভাবিব ‘মই সেইটো কৰিবলৈ গৈছিলোহে।’ বেছি দেৰিকৈ দিয়ে ছাত্ৰ-ছাত্ৰীৰ মনোযোগ ইফালে-সিফালে যাব আৰু তেওঁলোকে উভতি বা পিছুৱাই গৈ আপুনি কোৱাটো কৰিবলৈ নিবিচাৰিব।

ছাত্ৰ-ছাত্ৰীৰ কাৰ্য বিৱৰণীৰ বহীত লিখিতভাৱে হওক বা মৌখিকভাৱেই হওক, পুনৰ জনোৱা কাৰ্যটো বেছি ফলপ্ৰসূ হ’ব যদিহে তলত দিয়া নিৰ্দেশাৱলী অনুসৰণ কৰে—


## প্ৰশংসা আৰু ইতিবাচক ভাষাৰ ব্যৱহাৰ (Using praise and positive language)

আমাক যেতিয়া প্ৰশংসিত বা উৎসাহিত কৰা হয় আমি সাধাৰণতে আমাক সমালোচনা কৰা বা শুধৰাই দিয়াতকৈ যথেষ্ট বেছি আনন্দ অনুভৱ কৰোঁ। পুনৰ দৃঢ়ীকৰণ আৰু ইতিবাচক ভাষা সমগ্ৰ শ্ৰেণীৰ বাবে আৰু সকলো বয়সৰ ব্যক্তিৰ বাবে অভিৰোচনামূলক অনুপ্ৰেৰণাদায়ক হয়। মনত ৰাখিব যে ছাত্ৰ-ছাত্ৰীসকলৰ বিষয়ে কোৱাতকৈ তেওঁলোকৰ কামৰ প্ৰতিহে বিশেষত্ব দি আৰু লক্ষ্য কৰি প্ৰশংসা কৰা উচিত নহ’লে ই ছাত্ৰ-ছাত্ৰীক আগবঢ়াত একো সহায় নকৰিব, ‘Well done’ (ভালেই কৰিছা) বুলি কোৱাটো সুনিৰ্দিষ্ট নহয়, গতিকে তলত দিয়া যিকোনো ধৰণে কোৱাটো বেছি ভাল হ’ব ;





## সোঁৱৰণ বা সহায়কৰ লগতে শুধৰণিৰ ব্যৱহাৰ (Using prompting as well as correction)

আপোনাৰ ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে হোৱা আপোনাৰ কথা-বতৰাই তেওঁলোকৰ শিকনত সহায় কৰে। আপুনি যদি ছাত্ৰ-ছাত্ৰীক তেওঁলোকৰ উত্তৰটো ভুল বুলি কৈ ক্ষান্ত থাকে, তেওঁলোকে অধিক চিন্তা কৰিবলৈ আৰু চেষ্টা কৰিবলৈ সুযোগ হেৰুৱাব। যদি আপুনি ছাত্ৰ-ছাত্ৰীক একোটা ইঙ্গিত দিয়ে বা আন এটা প্ৰ.ন সোধে, আপুনি তেওঁলোকক আৰু গভীৰভাৱে ভাৱিবলৈ সহায় কৰিলে আৰু উত্তৰবোৰ বিচাৰিবলৈ তথা নিজৰ শিকনৰ দায়িত্ব লবলৈ তেওঁলোকক অনুপ্ৰাণিত কৰিলে। উদাহৰণস্বৰূপে, এটা বেছি ভাল উত্তৰ দিবলৈ উৎসাহ যোগাবলৈ বা এটা সমস্যা সমাধানৰ বাবে আন এক দিশ দেখুৱাবলৈ এনে ধৰণৰ কথা ক’ব পাৰে ঃ



ইজনে সিজনক সহায় কৰিবৰ বাবে অন্য ছাত্ৰ-ছাত্ৰীক উৎসাহিত কৰিবৰ বাবে ই সঠিক হ’ব পাৰে। শ্ৰেণীত থকা ছাত্ৰ-ছাত্ৰীসকলৰ সন্মুখত প্ৰ.নটো আৰম্ভ কৰিবলৈ আপুনি এনেকুৱা মন্তব্যও কৰিব পাৰে—




বানান শুদ্ধ কৰি দিয়া বা সংখ্যা/নেওতা পঢ়ি থাকোঁতে শুদ্ধ বা ভুল বুলি ছাত্ৰ-ছাত্ৰীক শুধৰাই দিবলৈ “yes” বা “no” ৰ ব্যৱহাৰ সঠিক হ’ব পাৰে। কিন্তু ইয়াতো আপুনি তেওঁলোকক তেওঁলোকৰ উত্তৰৰ আৰ্হি বিচাৰ কৰি চাবৰ বাবে ক’ব পাৰে নাইবা একেধৰণৰ উত্তৰৰ লগত মিলাই দেখুৱাব পাৰে নাইবা সেই বিশেষ উত্তৰটোনো কিয় ভুল সেইটোৰ বিষয়ে আলোচনা মুকলি কৰিব পাৰে।

নিজে শুধৰাব পৰা বা লগৰ সহপাঠীয়ে সোধৰাই দিয়া কাৰ্য তেতিয়া ফলপ্ৰসূ হয় যেতিয়া তেওঁলোকে দুজনীয়া দলত কাম কৰে আৰু আপুনি এনে কাৰ্যৰ বাবে তেওঁলোকক উৎসাহিত কৰিব পাৰে। এটা সময়ত এটা নিৰ্দিষ্ট কামৰ শুধৰণিহে মনোনিৱেশ কৰিব লাগে। এনে কৰিলে অধিক খেলি-মেলি তথ্য নাথাকে।

# Additional resources

- *Annual Status of Education Report 2012*, published by ASER Centre: http://www.asercentre.org/education/India/status/p/143.html
- Room to Read, India: http://www.roomtoread.org/Page.aspx?pid=304
- A useful site for explaining what reading involves: http://www.readingrockets.org/article/352
- Traditional Indian stories: http://www.indiaparenting.com/stories/index.shtml#77
- Knowledge, behaviours and activities for early readers: http://www.siue.edu/education/readready/1_Literacy/1_SubPages/1_ld_emergent.htm
- Resources to improve students’ reading and writing in school: http://fdf.readingrecovery.org/resources
- Phonemic awareness activities: http://teams.lacoe.edu/documentation/classrooms/patti/k-1/activities/phonemic.html

# References/bibliography

Clay, M.M. (2005) *Literacy Lessons Designed for Individuals.* Portsmouth, NH: Heinemann.

Graham, J. and Kelly, A. (2000) *Reading under Control: Teaching Reading in the Primary School*, 2nd edn. London: David Fulton Publishers, in association with the University of Surrey.

IT Tragedy (undated) ‘Independence Day poem kids Hindi English short long [sic]’ (online). Available from: http://www.ittragedy.com/independence-day-poem-kids-hindi-english-short-long/ (accessed 23 October 2014).

Jhingran, D. (2005) *Language Disadvantage: The Learning Challenge in Primary Education*. New Delhi: APH Publishers.

# Acknowledgements

This content is made available under a Creative Commons Attribution-ShareAlike licence (http://creativecommons.org/licenses/by-sa/3.0/), unless identified otherwise. The licence excludes the use of the TESS-India, OU and UKAID logos, which may only be used unadapted within the TESS-India project.

Every effort has been made to contact copyright owners. If any have been inadvertently overlooked the publishers will be pleased to make the necessary arrangements at the first opportunity.

Video (including video stills): thanks are extended to the teacher educators, headteachers, teachers and students across India who worked with The Open University in the productions.